**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 29-07-2025
**Time :** 0755 Hrs

***Assamese Morning Bulletin***

উৰিয়ামঘাটৰ ৰেংমা সংৰক্ষিত বনাঞ্চলত আজিপুৱাৰে পৰা উচ্ছেদ অভিযান চলোৱাৰ বাবে আৰক্ষী, চি আৰ পি এফ আৰু বন বিভাগ সাজু হৈছে। কেইবাটাও পৰ্যায়ত হ'বলগীয়া এই উচ্ছেদ অভিযানত দুহেজাৰ ৬০০ৰো অধিক পৰিয়ালক উচ্ছেদ কৰাৰ লগতে প্ৰায় ১১ হাজাৰ বিঘা ভূমি দখলমুক্ত কৰাৰ লক্ষ্য লোৱা হৈছে। প্ৰশাসনে ইতিমধ্যে অঞ্চলটোত উচ্ছেদৰ বাবে শ-শ এক্সকেভেটৰ সাজু কৰিছে। উল্লেখযোগ্য যে বন বিভাগৰ জাননী লাভ কৰাৰ পাছতে অঞ্চলটোৰ পৰা প্ৰায় ৭০ শতাংশ লোক আঁতৰি গৈছে যদিও একাংশ লোক এতিয়াও সেই স্থানতে আছে। উচ্ছেদৰ পূৰ্বে বন বিভাগে সোণাৰী বিল, মধুপুৰ, খেৰবাৰী, পিঠাঘাটকে ধৰি অন্যান্য গাঁওসমূহত বসতি কৰা লোকসকলক কালিৰ ভিতৰত অঞ্চলটো খালী কৰি দিবলৈ অন্তিমবাৰৰ বাবে সকিয়াই দিছিল। মেৰাপানীৰ সমীপৰ দুই নম্বৰ নেঘেৰিবিল গাঁৱত উচ্ছেদ চলোৱাৰ বাবেও প্ৰশাসন সাজু হৈছে।

ইপিনে, ৰাজ্য চৰকাৰে ৰেংমা বনাঞ্চলত উচ্ছেদ অভিযান চলোৱাৰ বাবে সাজু হোৱাৰ সময়তে নাগালেণ্ডৰ উগ্ৰপন্থী সংগঠন এন এছ চি এনে এই উচ্ছেদৰ বিৰোধিতা কৰিছে। উচ্ছেদ হ'বলগীয়া বনাঞ্চলৰ ভূমি নাগালেণ্ডৰ বুলি সংগঠনটোৱে দাবী কৰিছে।

ইপিনে, নগাঁও জিলাৰ হাতীচোং মৌজাৰ দুটা স্থানত প্ৰশাসনে উচ্ছেদ চলোৱাৰ সিদ্ধান্ত গ্ৰহণ কৰি দখলকাৰীলৈ জাননী জাৰি কৰিছে। এই জাননীৰ জৰিয়তে লোকসকলক সংৰক্ষিত বনভূমি খালী কৰি দিবলৈ নিৰ্দেশ দিয়া হৈছে।

oooooo

অসম কৃষি বিশ্ববিদ্যালয়ে বিকশিত কৰা বেঙুনীয়া চাউলৰ উচ্চ উৎপাদনক্ষম এটা জাত লাৱন্য, শেহতীয়াকৈ উদ্ভিদৰ জাত সুৰক্ষা আৰু কৃষক অধিকাৰ প্ৰাধিকৰণ-PPVFRৰ অধীনত পঞ্জীয়নভুক্ত হৈছে। অসম কৃষি বিশ্ববিদ্যালয়ৰ জনসম্পৰ্কৰক্ষী বিষয়াই এই বিষয়ে প্ৰকাশ কৰি কয়, যে পৰম্পৰাগত ক'লা চাউলক পুষ্টিগতভাৱে অধিক চহকী কৰি দৈনিক ব্যৱহাৰ আৰু বাণিজ্যিকভাৱে খেতি কৰাৰ বাবে উপযোগী কৰি তোলা হৈছে। উল্লেখযোগ্য যে প্ৰতি হেক্টৰ কৃষিভূমিত চাৰে ৪ৰ পৰা ৫ টন পৰ্যন্ত এই ধান উৎপাদন কৰিব পৰা যাব। সুগন্ধীযুক্ত এইবিধ চাউল ৰান্ধিবলৈ সহজ বাবে ই নিয়মীয়াকৈ ব্যৱহাৰৰ বাবে অধিক উপযোগী বুলিও বিশ্ববিদ্যালয়খনে প্ৰকাশ কৰিছে। লাৱন্য নামৰ এইবিধ বেঙুণীয়া চাউলত এণ্টি অক্সিডেণ্ট, এমিন' এচিড, ফ্লেভনইড আৰু খনিজ পদাৰ্থ অধিক পৰিমাণে উপলভ্য। পৰম্পৰাগত সুস্বাদু খাদ্য-সামগ্ৰীৰ লগতে বেকাৰী সামগ্ৰীৰ প্ৰস্তুতৰ বাবেও এই চাউল অতি উপযোগী। গ্লুটেনমুক্ত এইবিধ চাউলৰ পিঠাগুড়িও অতি স্বাস্থ্যসন্মত বুলি বিশ্ববিদ্যালয়খনৰ তৰফৰ পৰা প্ৰকাশ কৰা হৈছে।

oooooo

শিৱসাগৰৰ ৰংঘৰ, যমুনা, ৰংগনাথ মন্দিৰ আৰু এছিয়াৰ প্ৰথমখন চিৰিয়াখানাৰূপে জনজাত পহুগড়ক দখলমুক্ত কৰি সংৰক্ষণ কৰাৰ বাবে সদৌ টাই আহোম ছাত্ৰ সন্থাই দাবী উত্থাপন কৰিছে। কালি ৰংঘৰৰ বাকৰিত আয়োজিত এখন সংবাদ মেলত সংগঠনটোৱে জিলাখনৰ ঐতিহাসিক আৰু পৌৰাণিক সম্পদসমূহ দখলমুক্ত কৰি সংৰক্ষণ কৰাৰ দাবী জনায়। আটাছুৰে ইয়াৰ বাবে পুৰাতত্ব বিভাগ আৰু জিলা প্ৰশাসনক সাদিনৰ সময়সীমা বান্ধি দিয়ে। তেওঁলোকে ছশ বছৰীয়া আহোম ৰাজত্বৰ কীৰ্তি চিহ্নসমূহ দখলকাৰীৰ কৱলৰ পৰা মুক্ত কৰাৰ লগতে উচিতভাৱে সংৰক্ষণ কৰিবলৈ দাবী জনায়। সংগঠনটোৱে লগতে ৰংঘৰ চৌহদৰ কৃত্ৰিম বানৰ সমস্যা দূৰ কৰাৰ বাবে জল নিষ্কাশন ব্যৱস্থা উন্নত কৰিবলৈ সংশ্লিষ্ট কৰ্তৃপক্ষক আহ্বান জনায়।

০০০০০০

বনভূমি অধিকাৰ আইন ২০০৬ৰ অধীনত বিশ্বনাথ জিলা প্ৰশাসনে কালি জিলাখনৰ বনভূমিত বসবাস কৰা দুহেজাৰ ১৪৫জন লোকক ভূমিস্বত্ব প্ৰমাণ-পত্ৰ বিতৰণ কৰে। বিশ্বনাথৰ কমলাকান্ত নাট্য সমাজত এই উপলক্ষে অনুষ্ঠিত সভাত বিশ্বনাথৰ অভিভাৱক মন্ত্ৰী অশোক সিংহল, বিধায়ক প্ৰমোদ বৰঠাকুৰকে ধৰি আন কেইবাগৰাকীও বিধায়ক উপস্থিত থাকে। মন্ত্ৰী অশোক সিংহলে তেওঁৰ ভাষণত কয় যে অসমৰ খিলঞ্জীয়া লোকসকলক সামাজিক আৰু সাংস্কৃতিক দিশত সুৰক্ষিত কৰিবলৈ বন অধিকাৰ আইন, ২০০৬ৰ অধীনত ৰাজ্য চৰকাৰে এই পদক্ষেপ গ্ৰহণ কৰিছে। এই আইনৰ জৰিয়তে চৰকাৰে খিলঞ্জীয়া লোকক ভূমিৰ অধিকাৰ প্ৰদানৰ বাবেও অহোপুৰুষাৰ্থ কৰিছে বুলি মন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে। তেওঁ লগতে বন অধিকাৰ সমিতি গঠনৰ জৰিয়তে ক্ষেত্ৰ পৰ্যায়ত এই আইনৰ সঠিক ৰূপায়ণ নিশ্চিত কৰিবলৈ ৰাজ্য চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ বুলি উল্লেখ কৰে। শ্ৰীসিংহলে কালি জিলাখনৰ সাকোঁমঠাত জলসিঞ্চন বিভাগে পুনৰনিৰ্মাণ কৰি উলিওৱা এখন শ্লুইচ গেট উদ্বোধন কৰে।

০০০০০০

হোজাই জিলা শ্ৰীমন্ত শংকৰদেৱ নগৰৰ আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত কালি এখন সভা অনুষ্ঠিত হয়। সভাত ভিক্ষাৰীমুক্ত, প্লাষ্টিকমুক্ত আৰু পৰিষ্কাৰ চহৰ হিচাপে হোজাইক গঢ় দিবলৈ আলোচনা কৰা হয়। সভাত জিলা আয়ুক্ত বিদ্যুৎ বিকাশ ভাগৱতীকে ধৰি পৌৰসভা আৰু প্ৰশাসনৰ বিষয়ববীয়াসকল উপস্থিত থাকে।

০০০০০০

যোৰহাট জিলা ক্ৰীড়া বিষয়াৰ কাৰ্যালয় আৰু যোৰহাট আৰ্চ্চাৰী সন্থাৰ যৌথ উদ্যোগত যোৰহাট ষ্টেডিয়ামৰ প্ৰাংগণনত আৰ্চ্চাৰী প্ৰশিক্ষণ শিবিৰ কালি আৰম্ভ হৈছে। ৫০ ৰো অধিক প্ৰশিক্ষাৰ্থীয়ে প্ৰশিক্ষণ শিবিৰত অংশগ্ৰহণ কৰিছে। প্ৰশিক্ষণৰ দ্বাৰা প্ৰশিক্ষাৰ্থীসকল উপকৃত হোৱাৰ লগতে নতুনকৈ গঠন কৰা যোৰহাট আৰ্চ্চাৰী সন্থাক নতুন গতি দিব বুলি উদ্যোক্তাসকলে আশা কৰিছে।

০০০০০০

সমাপ্ত